# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
*Ref :* অজাবি/০০৯/১১/২০২৩-২৪

তাৰিখ :
*Date :* ০৫-০৯-২০২৩

## অসম জাতীয় বিদ্যালয়ত শিক্ষক দিৱস উদ্‌যাপন
## ৰাজ্যখনৰ দুগৰাকী বিশিষ্ট শিক্ষকক সম্বৰ্ধনা

**নুনমাটি, গুৱাহাটী, ৫ ছেপ্টেম্বৰ, ২০২৩ ঃ** 'শিক্ষকতা কেৱল এক বৃত্তি নহয়, শিক্ষকতা হৈছে এক কলা।' অসম জাতীয় বিদ্যালয়ত আজি আয়োজিত শিক্ষক দিৱসৰ অনুষ্ঠানত উপস্থিত থাকি ৰৌতাৰ ভালুকমাৰী মধ্য ইংৰাজী বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত শিক্ষক জিৎ বাহাদুৰ ছেত্ৰীয়ে এই মন্তব্য প্ৰদান কৰে। সুদীৰ্ঘ ২৭টা বছৰ বিনা পাৰিশ্ৰমিকেৰে শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰা শিক্ষক গৰাকীক আজি অসম জাতীয় বিদ্যালয়ৰ শিক্ষক দিৱসৰ অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানতে ৰাজ্যখনৰ আন এগৰাকী কৃতী শিক্ষক, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিভাগৰ বিশিষ্ট চিকিৎসক ডা° অলকা গোস্বামীকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। নিজৰ ভাষণত ডা° গোস্বামীয়ে পিতৃ-মাতৃয়েই প্ৰতিজন মানুহৰ জীৱনৰ প্ৰথম শিক্ষক বুলি মন্তব্য প্ৰদান কৰে। উল্লেখযোগ্য যে বিদ্যালয়খনৰ নৱম শ্ৰেণীৰ উদ্যোগত আজি দুটা পৰ্য্যায়ত শিক্ষক দিৱসৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। পুৱা ৯:০০ বজাৰ পৰা ১০:১৫ বজালৈ প্ৰাক্-বিদ্যালয়ৰ পৰা পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। আনহাতে ১০:৩০ বজাৰ পৰা ১২:৩০ বজালৈ ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ অংশগ্ৰহণেৰে শিক্ষক দিৱসৰ দ্বিতীয় পৰ্য্যায়ৰ অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ আৰম্ভণি কৰে। বিদ্যালয়ৰ শিক্ষকসকলৰ সন্মানাৰ্থে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা বিভিন্ন সাংস্কৃতিক কাৰ্য্যসূচীৰ পৰিচালনা কৰে নৱম শ্ৰেণীৰ একাংশ শিক্ষাৰ্থীয়ে। অনুষ্ঠানত বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী জুৰি গোস্বামী আৰু যুথিকা পাটোৱাৰীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে নিজৰ অনুভৱ ব্যক্ত কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ তৰফৰ পৰা বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী কল্যাণ নিধিলৈ ৫০,০০০.০০ হাজাৰ টকাৰ অৱিহণা আগবঢ়াই সকলোকে শুভেচ্ছা প্ৰদান কৰে। আজিৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থী ৰোহিত গাঁওখোৱা, ঋতুমল্লিকা গোস্বামী, জাগৃতি বৰুৱা আৰু অনুভূতি শৰ্মাই। ৰাইমনা হাউচৰ সামগ্ৰিক দায়িত্বত থকা শিক্ষক দিৱস অনুষ্ঠানৰ আহ্বায়িকাৰ দায়িত্বত আছিল বিদ্যালয়ৰ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী বনানী ডেকা।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়